Roll No. | | | | | | | |

## Series RKM

**Code No. 15**

- Please check that this question paper contains 4 printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains 5 questions.
- Please write down the serial number of the question before attempting it.

# ASSAMESE

# অসমীয়া

*Time allowed : 3 hours* *Maximum Marks : 100*

*সময় : 3 ঘন্টা* *সৰ্বমুঠ নম্বৰ : 100*

### SECTION A

1\. (i) সূত্ৰ লিখি উদাহৰণ দিয়া (*৩টাৰ*) : 1×3=3

(ক) নাম ধাতু ।

(খ) কালবাচক সৰ্বনাম ।

(গ) অসমাপিকা ক্ৰিয়া ।

(ঘ) বিশেষণীয় বিশেষণ ।

(ii) প্ৰত্যয় ভাঙি দেখুওঁৱা (*৪টাৰ*) : $\frac{1}{2}$×4=2

(ক) ৰনুৱা ।

(খ) কপাহী ।

(গ) ধাননি ।

(ঘ) দেখনিয়াৰ ।

(ঙ) মিছলীয়া ।

(iii) তলৰ উপসৰ্গকেইটাৰে একোটাকৈ শব্দ সাজা : $\frac{1}{2}$×4=2

(ক) পৰা ।

(খ) পৰি ।

(গ) দুৰ ।

(ঘ) উৎ ।

(iv) বিপৰীত লিঙ্গ লিখা (৪টাৰ) : $\frac{1}{2}\times4=2$

(ক) নায়ক।

(খ) সম্রাট।

(গ) মহাশয়।

(ঘ) সাধক।

(ঙ) অভিমানী।

(v) কাৰক কাক বোলে ? ই কেইবিধ ? $1\frac{1}{2}+\frac{1}{2}=2$

(vi) তলৰ বহুবচনৰ চিনবোৰৰ একোটাকৈ শব্দ সাজি বাক্য ৰচনা কৰা : $1\times4=4$

(ক) মণ্ডলী।

(খ) মালা।

(গ) বৃন্দ।

(ঘ) ৰাজি।

(vii) তলত দিয়া ৪টা খণ্ডবাক্যৰে একোটাকৈ বাক্য সাজা : $2\times4=8$

(ক) হাতত সাৰে ভৰিত সাৰে ।

(খ) ঢোলৰ লগত টেমেকা।

(গ) বিনামেঘে বজ্রপাত।

(ঘ) অহুকাণে পহুকাণে ।

(ঙ) শিলৰ ৰেখা।

(viii) তলত দিয়া যিকোনো শব্দ এটাত মূৰ্দ্ধন্য 'ণ' হোৱাৰ কাৰণ দৰ্শোৱা : 2

(ক) কল্যাণ ।

(খ) শূৰ্পণখা।

(ix) তলত দিয়া কথাখিনিৰ উপযুক্ত স্থানত বিৰাম চিন বহুওৱা : 2

অসমীয়া ভাওনা সম্বন্ধেও ক'ব পাৰি যে ভাওনা গুৰুগোঁসাইৰ ধৰ্মোপদেশৰ বেদী সাহিত্যচৰ্চাৰ চ'ৰা আৰু নৃত্যগীত বাদ্যৰ অনুশীলনক্ষেত্ৰ

(x) অশুদ্ধ বাক্য শুদ্ধ কৰা (৩টা) : $1\times3=3$

(ক) ফটা চাৰ্টটো তাৰ কি কামত আহিব ?

(খ) আজি দিনটো বৰ যহ পৰিছে।

(গ) সি আৰু মাক যোৱাকালি ঘৰক গৈছে।

(ঘ) জাৰকালি ফুল বেছিকৈ ফুটে।

(xi) তলৰ যিকোনো ফকৰা যোজনা ***এটাৰ*** অৰ্থ বুজাই লিখা : 5

(ক) মাউখে উটিলে গুৰীপৰুৱাৰো মৰণ নাই।

(খ) বেছিকৈ গৰজা মেঘে বৰষুণ নিদিয়ে।

**2.** তলত দিয়া যিকোনো ***এটাৰ*** বিষয়ে এখনি ৰচনা লিখা (৩০০টামান শব্দত) : 15

(ক) শিক্ষানুষ্ঠানত খেলধেমালি।

(খ) তোমাৰ প্ৰিয় সাহিত্যিক।

(গ) দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ।

## SECTION B

**3.** (i) তলৰ যিকোনো কবিতা এটাৰ সাৰাংশ লিখা : 7

(ক) মানৱ বন্দনা।

(খ) জিকিৰ।

(ii) প্ৰসঙ্গ সঙ্গতি দৰ্শাই ***এছোৱা*** ব্যাখ্যা কৰা : 4

(ক) অগতিৰ গতি তুমি, অনাথৰ নাথ শুনো;
তেন্তে ই বিলাই মোৰ, চাই আছা কেনেকৈনো ?

(খ) ফন্দিলো মায়াৰ পাশে কাল ব্যাধে ধায়া আসে
কাম ক্ৰোধ কুত্তা খেদি খাই।

(গ) চকুলো দুধাৰি প্ৰভু, তোমাৰ নিৰ্মালি মোৰ,
অন্ত হ'ব অন্তিমত, ভঙ্গ হ'ব মোহ ঘোৰ।

(iii) তলৰ ***এটি*** প্ৰশ্নৰ উত্তৰ কৰা (এশটামান শব্দত) : 5

(ক) চিত্ৰলেখাই নাৰদৰ আগত প্ৰদৰ্শন কৰা মায়াকেইটাৰ বিষয়ে বৰ্ণনা কৰা।

(খ) চনেট কাক বোলে ? 'চকুলো' কবিতাত চনেটৰ লক্ষণসমূহ কেনেকৈ প্ৰকাশ হৈছে আলচ কৰা।

(iv) চাৰিটা প্ৰশ্নৰ চমু উত্তৰ কৰা (প্ৰতিটো একোটা বাক্যত) : 1×4=4

(ক) 'তজু পোহৰৰে যেন, এচেৰেঙা ময়ো পাওঁ।'
— কবিয়ে কাৰ পোহৰ বাঞ্চা কৰিছে ?

(খ) হিতেশ্বৰ বৰবৰুৱাই কিহক 'মুকুতাৰ মালা' বুলিছে ?

(গ) চিত্ৰলেখাই নাৰদক ক'ত লগ পাইছিল ?

(ঘ) বৰগীতৰ জনক কোন ?

(ঙ) প্ৰতিমাৰ খনিকৰ কোন ?

(চ) আজান ফকীৰ ক'ৰ পৰা অসমলৈ আহিছিল ?

4. (i) তলৰ *দুটা* প্ৰশ্নৰ উত্তৰ কৰা (প্ৰতিটো ১০০টা মান শব্দত) : 7×2=14

(ক) সেই সময়ৰ গাৱলীয়া সমাজৰ বিষয়ে 'মুক্তি' গল্পৰ আধাৰত এটি আলচ যুগুত কৰা।

(খ) ঘুনুচা কোন ? আইন অনুসৰি তাই পাবলগীয়া সম্পত্তি কাৰ চক্ৰান্তত হেৰুৱালে বুজাই লিখা।

(গ) 'জীৱ-জন্তুৰ আচৰণতো সময় নিৰূপন কৰিব পাৰি।'
— কথাষাৰৰ তাৎপৰ্য্য বহলাই লিখা।

(ঘ) অসমীয়া বৈষ্ণৱ কবিয়ে নাৰদ চৰিত্ৰটো কেনেদৰে অঙ্কন কৰিছে বৰ্ণনা কৰা।

(ঙ) ৰামৰ প্ৰতি ভৰতৰ শ্ৰদ্ধা আৰু অগ্ৰজপ্ৰেম ৰঘুনাথ মহন্তৰ 'ৰাম আৰু ভৰত'ত কেনেকৈ প্ৰকাশ পাইছে আলোচনা কৰা।

(ii) প্ৰসঙ্গ সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (*এছোৱা*) : 4

(ক) কোন বাটেৰে পুতেকক সাৱধানে বলাই আনিলে তাৰ পঢ়াশুনাত মন বহিব, সেইটোৰ উৱাদিহ তেওঁ ভালকৈ নাজানিছিল।

(খ) সংসাৰৰ শেষ সম্বল একেটি ৰতন, সিও তোমাৰ ভাগ্যত নাই।

(গ) 'হা হা কি ভেল, কি ভেল দেৱকাৰ্য্য নাহি সিজব।'

(iii) চমু টোকা লিখা (*দুটাৰ*) : 1×2=2

(ক) ৱাটাৰ্লু যুদ্ধ।

(খ) প্ৰিয়ব্ৰত ৰজা।

(গ) গোপালদেৱ।

## SECTION C

5. (i) তলৰ যিকোনো *এটা* প্ৰশ্নৰ উত্তৰ কৰা : 6

(ক) শিহুটো মৰা বাবে কেঙে কিয় দুখ পাইছিল ? ইয়াৰ পৰিণতি কি হ'ল আলোচনা কৰা।

(খ) কেঙে হাতীটো কেনেকৈ বধ কৰিছিল তোমাৰ নিজৰ ভাষাত বৰ্ণনা কৰা।

(ii) তলৰ যিকোনো *দুটাৰ* টোকা লিখা : 2×2=4

(ক) হলৌ বান্দৰ।

(খ) নিৰীক্ষণ গৃহ।

(গ) কানাই।